জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৮/২০২০

**ক'ভিড-১৯ এ সৃষ্টি কৰা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰেক্ষাপটক আগুৱাই নিয়াৰ বাবে ৰাজ্যৰ বিশিষ্ট অৰ্থনীতিবিদসকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৰুত্বপূৰ্ণ বৈঠক**

# অৰ্থনীতিবিদসকলৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্যৰ খণ্ড উন্নয়ন পৰ্যায়লৈকে 'টাস্ক ফ'ৰ্চ' গঠনৰে সময়-সাপেক্ষ কৰ্ম আঁচনি যুগুতোৱাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

## ব্যয়ৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ক্ষেত্ৰ চিনাক্তকৰণৰ পৰামৰ্শ গুৰুত্বসহকাৰে লোৱা হ'ব

ৰাইজক আস্থা আৰু বিশ্বাসত লৈ আমি এই পৰিস্থিতিৰ মুখামুখি হ'ম আৰু সফলতা লাভ কৰিম ঃ মুখ্যমন্ত্ৰী

## সমস্যাৰ বুকুতে লুকাই থাকে সমাধানৰ সূত্ৰ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ এপ্ৰিল ঃ** ক'ভিড-১৯ এ সমগ্ৰ বিশ্বৰ লগতে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনত সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ সামগ্ৰিক বিত্তীয় ক্ষেত্ৰখনক আগুৱাই নিয়াৰ বাবে বিশিষ্ট অৰ্থনীতিবিদসকলৰ মতামত গ্ৰহণ কৰাৰ উদ্দেশ্যে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত ৰাজ্যখনৰ বিশিষ্ট অৰ্থনীতিবিদ আৰু চিন্তাবিদসকলৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

বৈঠকৰ আৰম্ভণিতে বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ক'ভিড-১৯ৰ পূৰ্বৰ সময়ত ৰাজ্যখনৰ উত্থানমুখী অৰ্থনৈতিক ক্ষেত্ৰখনৰ লগতে আকস্মিকভাৱে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে লক্-ডাউনৰ প্ৰভাৱত ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰখনত সৃষ্টি হোৱা পৰিস্থিতিৰ এক তুলনামূলক বিশ্লেষণ দাঙি ধৰে।

বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ক'ভিড-১৯ এ বিশ্বৰ ৭৭০ কোটি জনতাৰ বাবে এক নতুন অভিজ্ঞতা কঢ়িয়াই আনিছে। এই পৰিস্থিতিয়ে আমাক বহু শিক্ষা আহৰণৰ সুযোগ প্ৰদান কৰিছে। সমস্যাৰ বুকুতে সমাধানৰ সূত্ৰ লুকাই থাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সকলো প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিব পাৰিলেহে বিশ্বৰ বুকুত আমি যোগ্যতাসম্পন্ন জাতি হিচাপে পৰিচিত হ'ব পাৰিম। আজি বিশিষ্ট অৰ্থনীতিবিদসকলে ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালীকৰণৰ বাবে আগবঢ়োৱা

পৰামৰ্শসমূহে আগন্তুক দিনত দিক্ নিৰ্ণায়ক ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে। অৰ্থনীতিবিদসকলে ক'ভিড-১৯ ৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অৰ্থনৈতিক ক্ষেত্ৰখন আগুৱাই নিয়াৰ বাবে ৰাজ্যখনৰ খণ্ড উন্নয়ন পৰ্যায়লৈকে কৰ্মবাহিনী (টাস্ক ফ'ৰ্চ) গঠনৰ বাবে যি পৰামৰ্শ আগবঢ়াইছে সেয়া অতিকৈ প্ৰশংসনীয়। এই পৰামৰ্শৰ ভিত্তিত আমি সময়-সাপেক্ষ কৰ্ম আঁচনি যুগুতোৱাৰ লগতে ১০০ দিনৰ সময়সাপেক্ষ সুপৰিকল্পিত কৰ্মসূচী প্ৰস্তুত কৰাৰ বাবে আগবঢ়োৱা পৰামৰ্শও ৰাজ্য চৰকাৰে গুৰুত্বসহকাৰে গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, ৰাজ্যখনত ব্যয়ৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ ক্ষেত্ৰ (প্ৰায়'ৰিটি ছেক্টৰ) চিনাক্তকৰণ, সামাজিক দূৰত্ব বজাই ৰাখি অৰ্থনৈতিক কাম-কাজ আগুৱাই নিয়া, হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী কৰ্ম আঁচনি গ্ৰহণ কৰা, কৃষিজাত সামগ্ৰীৰ উৎপাদন, ক্ৰয় আৰু বিপণন ব্যৱস্থা শক্তিশালী কৰা, ৰাজ্যখনৰ মাটিৰ প্ৰাকৃতিক উৰ্বৰতা আৰু জলবায়ুৰ সদ্ব্যৱহাৰেৰে কৃষিক্ষেত্ৰৰ সম্ভাৱনীয়তা নতুনকৈ আৱিস্কাৰ কৰা ইত্যাদি পৰামৰ্শসমূহ ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ মাজত সুসমন্বয়েৰে এই দিশসমূহ আগুৱাই লৈ যাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমক সকলো ক্ষেত্ৰতে অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাৰ বাবে ৰাজ্যখনৰ সম্পদ, সম্ভাৱনা আৰু শক্তি উজ্জীৱিত কৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। তদুপৰি, ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনলৈ ঘূৰি আহিবলগীয়া বহিঃৰাজ্যত কৰ্মৰত প্ৰায় ১০ লাখ যুৱক-যুৱতীৰ দক্ষতাৰ সুব্যৱহাৰেৰে তেওঁলোকক বোজা হিচাপে নলৈ সম্পদ হিচাপে ৰূপান্তৰ কৰাৰ দিশতো ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা সময়োপযোগী পদক্ষেপৰ বাবেই ক'ভিড-১৯ প্ৰতিৰোধৰ ক্ষেত্ৰত বিশ্বৰ বহু উন্নত ৰাষ্ট্ৰৰ তুলনাত আজি ভাৰতবৰ্ষৰ অৱস্থা তুলনামূলকভাৱে সুস্থিৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কথাই ৰাইজক মনোবল প্ৰদান কৰিছে আৰু সকাহ দিছে। এই জটিল সময়ত অত্যাৱশ্যকীয় আৰু জৰুৰী সেৱাসমূহ ৰাইজৰ দুৱাৰদলিতে প্ৰদানৰ বাবে চৰকাৰী বিভাগসমূহে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাস্থ্য সম্পৰ্কীয় এই সজাগতাৰ কথা আজি ৰাইজেও উপলব্ধি কৰিছে। আনকি চাহ বাগিচাৰ শ্ৰমিক ৰাইজেও আজি এই কথা উপলব্ধি কৰিছে যে মাথোঁ সামাজিক দূৰত্ব ৰক্ষাৰ জৰিয়তেহে আমি এই সংকটৰ পৰা হাত সাৰিব পাৰিম।

বৰ্তমানৰ চৰকাৰখন ৰাইজৰ চৰকাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰখনে কোনো ক্ষেত্ৰতে ৰাইজক আন্ধাৰত ৰাখি কাম কৰা নাই। ৰাজ্যৰ প্ৰকৃত অৰ্থনৈতিক ছবিখন চৰকাৰে জনসাধাৰণৰ সন্মুখত দাঙি ধৰিছে। ৰাইজক আস্থা আৰু বিশ্বাসত লৈ আমি এই পৰিস্থিতিৰ মুখামুখি হ'ম আৰু সফলতা লাভ কৰিম বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে। ৰাজ্যখনৰ সম্ভাৱনাময় কৃষিখণ্ডত আত্মনিয়োগ কৰাৰ বাবে নতুন প্ৰজন্মক উৎসাহিত কৰিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ প্ৰজন্মই যুঁজত নমাৰ আগেয়ে সফলতাৰ নিদৰ্শন চাব বিচাৰে। ডেকা শক্তিৰ মাজত বিশ্বাসযোগ্যতা জগাই তুলিব পৰাকৈ আমি তেওঁলোকৰ সন্মুখত কৃষিক্ষেত্ৰত সফলতা লাভ কৰা লোকসকলৰ আদৰ্শ দাঙি ধৰিব লাগিব। কৃষক, শ্ৰমিক, শিপিনী আদি শ্ৰেণীক বিশেষ অগ্ৰাধিকাৰ প্ৰদানেৰে ৰাজ্যৰ অৰ্থনৈতিক কাঠামো শক্তিশালী কৰি

তোলাৰ বাবে আমি সকলোৱে আন্তৰিকতাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ বৈঠকত ৰাজ্যখনৰ ২৯ গৰাকীকৈ বিশিষ্ট অৰ্থনীতিবিদ আৰু চিন্তাবিদে অংশগ্ৰহণ কৰি ৰাজ্যখনৰ সাম্প্ৰতিক জটিল বিত্তীয় পৰিস্থিতিত ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব পৰা পদক্ষেপ সম্পৰ্কে নিজৰ মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়ায়। তেওঁলোক হৈছে ক্ৰমে ৰঞ্জিত নাৰায়ণ ডেকা, ড° মাধুৰ্য বেজবৰুৱা, ড° নিচাৰ আহমেদ বৰুৱা, ড° মৃণালকান্তি দত্ত, ড° সৌন্দৰ্য বৰবৰা, ড° অমৰেন্দ্ৰ কলিতা, ড° ৰাতুল মহন্ত, এহছান হাজৰিকা, ড° জয়দীপ বৰুৱা, ড° মনজিত দাস, ড° অমিয় শৰ্মা, ড° গায়ত্ৰী গোস্বামী, ড° চন্দন হাজৰিকা, ড° জগদীশ গোস্বামী, ড° হোমেশ্বৰ গোস্বামী, অতনু চৌধুৰী, ড° ধৰ্মেন্দ্ৰ নাথ, অভিজিত শৰ্মা, ড° খুৰছিদ আলম, প্ৰফেচাৰ উৎপল বৰা, গৌতম গোস্বামী, ড° শৰৎ শইকীয়া, কৃষ্ণকান্ত বৰা, অদীপ কুমাৰ ফুকন, কে এম বেজবৰুৱা, ড° ৰূপালী কলিতা, ড° অনন্ত কলিতা, ড° দিলিপ শৰ্মা আৰু ড° মনোজ তালুকদাৰ।

বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই শলাগৰ শৰাই আগবঢ়োৱা এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অতিৰিক্ত মুখ্য সচিব ৰাজীৱ বৰা প্ৰমুখ্যে বিত্ত, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ তথা অন্যান্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিশেষ তৎপৰতাত সাম্প্ৰতিক জটিল বিত্তীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিশিষ্ট অৰ্থনীতিবিদসকলৰ মতামত গ্ৰহণ কৰাৰ বাবে উদ্যোগ লোৱাৰ দিশত অসমে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

**প্ৰঃকুঃবঃ /বঃভাঃ /পুঃডেঃ**
**২৮/৪/২০২০**